মোৰ প্ৰতি যেতিয়াই কোনোবাই ছালাম প্ৰেৰণ কৰে, তেতিয়াই আল্লাহে মোক মোৰ প্ৰাণ ওভোতাই দিয়ে, যাতে মই সেই ছালামৰ উত্তৰ দিব পাৰোঁ।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মোৰ প্ৰতি যেতিয়াই কোনোবাই ছালাম প্ৰেৰণ কৰে, তেতিয়াই আল্লাহে মোক মোৰ প্ৰাণ ওভোতাই দিয়ে, যাতে মই সেই ছালামৰ উত্তৰ দিব পাৰোঁ।"
[ইয়াৰ চনদ হাছান পৰ্যায়ৰ] [(আবু দাঊদ, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাই যে, যেতিয়া তেখেতক কোনোবাই ছালাম কৰে দূৰৰ পৰাই হওক বা ওচৰৰ পৰা তেতিয়া তেখেতৰ প্ৰাণ ওভোতাই দিয়া হয়। জানি থোৱা উচিত যে, বাৰঝাখী জীৱন আৰু কবৰৰ বিষয়টো হৈছে অদৃশ্য বিষয়। ইয়াৰ বাস্তৱতা আল্লাহৰ বাহিৰে আন কোনেও নাজানে। একমাত্ৰ তেৱেঁই সকলো ক্ষেত্ৰত ক্ষমতাৱান।

http://www.sunnah.global/hadeeth/as/show/6222